NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-02-2023
**Time :** 0705 hrs

*Assamese Morning Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৰপেটাৰ নসত্ৰত আয়োজিত কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনত অংশগ্ৰহণ কৰিব।

২। বিত্তমন্ত্ৰী নিৰ্মালা সীতাৰমণে কৈছে যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক আৰু এবছৰৰ বাবে ৫০ বছৰীয়া সুদমুক্ত ঋণ অব্যাহত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। প্ৰাথমিক কৃষি ঋণ চৰকাৰী সমিতি আৰু জনসেৱা কেন্দ্ৰৰ দ্বাৰা সম্পৰ্ক সেৱাৰ বিষয়ে কালি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।

৪। দক্ষিণ আফ্ৰিকাই যোৱা নিশা ত্ৰিদেশীয় টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতক ৫ উইকেটত পৰাস্ত কৰে।

*আৰু*

৫। ভাৰত আজি বাংলাদেশৰ ঢাকাত হ'বলগীয়া মহিলাৰ ২০ বছৰ অনূৰ্ধ্বৰ চাফ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ভুটানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিশ্বশান্তিৰ বাবে বৰপেটাৰ নসত্ৰত আয়োজিত কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে কৃষ্ণগুৰু সেৱাশ্ৰমৰ ভক্তসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি অসম চৰকাৰৰ ভালে কেইগৰাকী মন্ত্ৰীয়ে অংশ ল'ব। শ্ৰীমোদীয়ে এইবেলি প্ৰথমবাৰৰ বাবে কৃষ্ণগুৰু সেৱাশ্ৰমৰ কোনো কাৰ্যসূচীত ভাগ ল'ব। বিশ্বশান্তিৰ হকে কৃষ্ণগুৰু সেৱাশ্ৰমত যোৱা ৬ জানুৱাৰীৰ পৰা মাহযোৰা কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনৰ আয়োজন কৰা হৈছে।

১৯৭৪ চনত বৰপেটাৰ নসত্ৰত কৃষ্ণগুৰু সেৱাশ্ৰম প্ৰতিষ্ঠা কৰা হৈছিল। সমগ্ৰ বিশ্বতে ইয়াৰ প্ৰায় ১ কোটি ৫০ লাখ অনুগামী আছে। কৃষ্ণগুৰু সেৱাশ্ৰম শিক্ষা, স্বাস্থ্য আৰু আধ্যত্মিকতাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ কাম কৰি আহিছে।

oooooooooo

বিত্তমন্ত্ৰী নিৰ্মালা সীতাৰমণে কৈছে যে চৰকাৰে আন্তঃগাঁথনি আৰু কল্যাণমূলক আঁচনি নিৰ্মাণত বিনিয়োগৰ বাবে ৰাজ্য চৰকাৰসমূহক আৰু এবছৰৰ বাবে ৫০ বছৰীয়া সুদমুক্ত ঋণ অব্যাহত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ২০২৩-২৪ বৰ্ষৰকেন্দ্ৰীয় বাজেটত চৰকাৰে ইয়াৰ বাবে ১ লাখ ৩০ হাজাৰ কোটি টকা ব্যয়ৰ প্ৰস্তাৱ লৈছে। নতুন দিল্লীত উদ্যোগ সংস্থা FICCI-ৰ সৈতে হোৱা বাৰ্তালাপত শ্ৰীমতী সীতাৰমণে কয় যে ২০২৩-২৪ বিত্তীয় বৰ্ষত ৰাজ্যসমূহক সুদমুক্ত ঋণৰ বাবে ১ লাখ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে আৰু অহা বিত্তীয় বৰ্ষৰ বাবে আৰু ৩০ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে। তেওঁ কয় যে ইয়াৰ ভিতৰত ৮০ শতাংশ পুঁজিৰ ব্যৱহাৰ ৰাজ্যসমূহে নিজৰ প্ৰয়োজন অনুসৰি কৰিব আৰু ২০ শতাংশ ধন **এখন ৰাষ্ট্ৰ এখন ৰেচন কাৰ্ড**ৰ লেখিয়া কল্যাণমূলক আঁচনিসমূহৰ বাবে ব্যৱহাৰ কৰা হ'ব।

oooooooooo

প্ৰাথমিক কৃষি ঋণ চৰকাৰী সমিতি চমুকৈ PACS আৰু জনসেৱা কেন্দ্ৰ চমুকৈ CSC-ৰ দ্বাৰা সম্পৰ্ক সেৱাৰ বিষয়ে কালি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। নতুন দিল্লীত সমবায় মন্ত্ৰ্যালয়, ইলেকট্ৰ'নিক আৰু তথ্য মন্ত্ৰ্যালয়, নাবাৰ্ড আৰু CSC গভৰ্নেন্স চাৰ্ভিচেজ লিমিটেডৰ মাজত এই বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা সমবায় মন্ত্ৰী অমিত শ্বাহে এই বুজাবুজিৰ চুক্তি সকলো পক্ষৰ বাবেই লাভদায়ক হ'ব বুলি মন্তব্য কৰে। তেওঁ কয় যে এই চুক্তি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ সমৃদ্ধিৰ সপোন বাস্তৱায়িত হোৱাত সহায়ক হ'ব। তেওঁ লগতে চৰকাৰী সমিতি আৰু কৃষকো ইয়াৰ দ্বাৰা লাভান্বিত  হ'ব বুলিও উল্লেখ কৰে।  তেওঁ কয় যে গ্ৰাম্য আৰু কৃষি ক্ষেত্ৰৰ বিকাশৰ বাবে প্ৰাথমিক কৃষি ঋণ সমিতিসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সমবায় মন্ত্ৰীগৰাকীয়ে এই সমিতিসমূহৰ দ্বাৰা জল বিতৰণ, সংৰক্ষণ আৰু বেংক মিত্ৰৰ দৰে অনেক কাৰ্যসূচী গ্ৰহণ কৰিব পৰা যাব বুলিও প্ৰকাশ কৰে।  তেওঁ কয় যে এই বছৰৰ বাজেটত কৃষি ঋণ সমিতিসমূহৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অহা ৫ বছৰত এনেধৰণ ২ লাখ প্ৰাথমিক কৃষি ঋণ সমিতি গঠন কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

oooooooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল, জলপথ আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জি-টুৱেণ্টি সদস্য ৰাষ্ট্ৰগোটৰ প্ৰতিনিধিবৰ্গক বহনক্ষম জীৱন শৈলীক গণ আন্দোলনৰ ৰূপ দিয়াৰ বাবে যৌথভাৱে কাম কৰিবলৈ আহ্বান জনাইছে। ভাৰতৰ জি-টুৱেণ্টিৰ অধ্যক্ষতাৰ অংশ হিচাপে গুৱাহাটীত আয়োজিত বহনক্ষম বিত্ত কাৰ্যগোটৰ প্ৰথমখন সন্মিলনৰ উদ্বোধনী

অনুষ্ঠানত ভাষণ দি কালি মন্ত্রীগৰাকীয়ে এই আহ্বান জনায়। তেওঁ কয় যে বিশ্বই নিকা আৰু শ্যামলী সমাজৰ হকে কাম কৰা উচিত। তেওঁ লগতে কাৰ্বন নিৰ্গমনৰ পৰিমাণ হ্রাস কৰাৰ বাবে আটাইলৈ প্ৰতি আহ্বান জনায়। ভাৰতে ৰাষ্ট্ৰীয় বিকাশৰ হকে বহনক্ষম উন্নয়নৰ প্ৰক্ৰিয়া আকোৱালি লৈছে বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে। বহনক্ষম ভৱিষ্যৎ গঢ়াত পৰম্পৰাগত ঔষধৰ ভূমিকা সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে।

সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে বিশ্বক দেশৰ চহকী ঐতিহ্যৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতা আমাৰ বাবে গৌৰৱৰ বিষয়। তেওঁ কয় যে জলবায়ু পৰিৱৰ্তনে মানৱ জাতিৰ বাবে জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে আৰু এই আলাপ আলোচনাৰ জৰিয়তে নিশ্চিতভাৱে জলবায়ু পৰিৱৰ্তনৰ সমস্যা সমাধানৰ পথৰ অন্বেষণ কৰিব পৰা যাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই দুদিনীয়া বৈঠকত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱাৰ ক্ষেত্ৰত দেখা দিয়া বিত্তীয় জটিলতা চিনাক্ত কৰা আৰু বিশ্বৰ জনসাধাৰণৰ কল্যাণৰ বাবে সমবিকাশ সুনিশ্চিত কৰাৰ বাবে প্ৰয়াস চলোৱা হ'ব। বৈঠকত এই মহান কাৰ্যৰ বাবে ধন সংগ্ৰহৰ স্থায়ী উৎসৰ বিশদ পৰিকল্পনা যুগুতাই উলিওৱা হ'ব বুলিও শ্ৰী সোণোৱালে প্ৰকাশ কৰে। বৈঠকত জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশসমূহৰ ৯৫ গৰাকী প্ৰতিনিধিৰ লগতে ১০ খন আমন্ত্ৰিত দেশৰ আৰু ১৪টা আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই বৈঠকৰ চাৰিটা সত্ৰত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱাৰ বাবে সময়মতে পৰ্যাপ্ত উৎস, বহনক্ষম উন্নয়নৰ বাবে পুঁজি সংগ্ৰহ আৰু বহনক্ষম উন্নয়নৰ সমগ্ৰ তন্ত্ৰৰ বাবে সামৰ্থ্য বৃদ্ধি আদি বিষয় লৈ আলোচনা কৰা হ'ব। বৈঠকৰ অন্তত কালি প্ৰথম দিনা বিয়লি প্ৰতিনিধিবৰ্গৰ সন্মুখত ব্ৰহ্মপুত্ৰৰ বালিচৰত সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শনৰ দিহা কৰা হয়। অনুষ্ঠানত প্ৰদৰ্শিত অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যই প্ৰতিনিধিবৰ্গক আপ্লুত কৰি তোলে।

oooooooooo

মেঘালয়ত আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া অব্যাহত আছে। ৰাজ্যখনত কালি দক্ষিণ গাৰো পাহাৰ জিলাত মুখ্য নিৰ্বাচনী বিষয়া এফ আৰ খাৰকঙৰে অন্যান্য বিষয়াবৰ্গৰ সৈতে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। উল্লেখযোগ্য যে ভাৰতীয় জনতা পাৰ্টীয়ে ৰাজ্যখনৰ ৬০টা বিধানসভা সমষ্টিৰ বাবে কালি প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে।

ooooooooooo

জম্মু-কাশ্মীৰৰ ৰাজৌৰি জিলাৰ প্ৰশাসনে জিলাখনৰ বিভিন্ন স্থানত ই-পুথিভঁৰাল মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আমাৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি ইলাম কোষ নামৰ

এই ই-পুথিভঁৰালসমূহ জিলাখনৰ বাসিন্দা আৰু শিক্ষাৰ্থীসকলে অধ্যয়নৰ কামত ব্যৱহাৰ কৰিব পাৰিব। এই ই-পুথিভঁৰালসমূহ নিৰ্দিষ্ট ৱেবছাইটৰ জৰিয়তেহে ব্যৱহাৰ কৰিব পৰা যাব বুলি জিলা প্ৰশাসনে প্ৰকাশ কৰিছে। এই ই-পুথিভঁৰাল ব্যৱহাৰৰ বাবে পঞ্জীয়নৰ প্ৰক্ৰিয়া অনলাইন পদ্ধতিৰে কৰা হ'ব। জিলাখনত ৫টা ই-পুথিভঁৰালৰ উপৰি জিলা তথ্য কোষৰ কাৰ্যালয়ত আন এটা পুথিভঁৰালৰো দিহা কৰা হৈছে। এই পুথিভঁৰালসমূহত পঞ্জীকৃত শিক্ষাৰ্থীসকলৰ বাবে বিশেষ বৈঠকৰ উপৰি কেৰিয়াৰ কাউন্সেলিঙৰো ব্যৱস্থা থাকিব।

oooooooooo

উত্তৰাখণ্ডত চাৰি ধাম যাত্ৰাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰা হৈছে। ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত সকলো পদক্ষেপ গ্ৰহণ কৰিছে। অহা ৭ ফেব্ৰুৱাৰীত ঋষিকেশত গড়ৱালৰ উপায়ুক্ত সুশীল কুমাৰ অধ্যক্ষতাত আয়োজিত এখন বৈঠকত এই যাত্ৰাৰ প্ৰস্তুতি সন্দৰ্ভত বিশদ পৰিকল্পনা যুগুতাই উলিওৱা হ'ব। বদ্ৰীনাথ কেদাৰনাথ মন্দিৰ সমিতিৰ অধ্যক্ষ অজেন্দ্ৰ অজয়ে এইবাৰৰ চাৰি ধাম যাত্ৰা সুচাৰুৰূপে সম্পন্ন কৰিব পৰা যাব বুলি আশা প্ৰকাশ কৰিছে। অহা ২২ এপ্ৰিলৰ পৰা এই যাত্ৰা আৰম্ভ হ'ব। গংগোত্ৰী যমুনোত্ৰী ধামৰ পৰ্টেল অক্ষয় তৃতীয় অৰ্থাৎ ২২ এপ্ৰিলত খুলি দিয়া হ'ব। একেদৰে বদ্ৰীনাথ ধামৰ পৰ্টেল ২৭ এপ্ৰিলত খুলি দিয়া হ'ব। আনহাতে কেদাৰনাথ ধামৰ পৰ্টেলসমূহ খোলাৰ তাৰিখ মহা শিৱৰাত্ৰী অৰ্থাৎ ১৮ ফ্ৰেব্ৰুৱাৰীৰ দিনা ঠিৰাং কৰা হ'ব।

ooooooooo

বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী ভি মুৰুলীধৰণ আজি দুদিনীয়া ভ্ৰমণসূচীৰে শ্ৰীলংকালৈ যাব। তেওঁ দ্বীপ ৰাষ্ট্ৰখনৰ স্বাধীনতা দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি আৰু বিদেশমন্ত্ৰীৰ সৈতে পৃথক পৃথক দ্বি-পাক্ষিক আলোচনাত মিলিত হ'ব। শ্ৰী মুৰুলীধৰণে লগতে দেশখনত থকা ভাৰতীয়সকলৰ সৈতেও বাৰ্তালাপ কৰিব।

ooooooooo

দক্ষিণ আফ্ৰিকাই যোৱা নিশা দেশখনৰ ইষ্ট লণ্ডনৰ বাফেল' পাৰ্কত আয়োজিত ত্ৰিদেশীয় টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতক ৫ উইকেটত পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ দখল কৰে। খেলখনত প্ৰথম বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১০৯ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৰলিন দেউলে ৫৬টা বলত সৰ্বাধিক ৪৬ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ঘৰুৱা দলটোৱে ক্ল' ট্ৰায়ানৰ অপৰাজিত ৫৭ ৰানৰ সহায়েৰে ১৮ অভাৰত নিজৰ লক্ষ্য অতিক্ৰম কৰে।

০০০০০০০০০০০

ভাৰত আজি বাংলাদেশৰ ঢাকাত হ'বলগীয়া মহিলাৰ ২০ বছৰ অনূৰ্ধ্বৰ চাফ চেম্পিয়নশ্বীপৰ প্ৰথমখন খেলত ভুটানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে ফুটবল প্ৰতিযোগিতাখনৰ আজি হ'বলগীয়া আন এখন খেলত আয়োজক দেশ বাংলাদেশে নেপালৰ সন্মুখীন হ'ব। প্ৰতিযোগিতাৰ আটাইকেইখন খেল ঢাকাৰ বীৰ শ্ৰেষ্ঠ শ্বহীদ চিপাহী মোস্তাফা কামাল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। চাৰিটা দলৰ মাজত ৰাউণ্ড ৰবীন পদ্ধতিৰে হ'বলগীয়া খেলসমূহৰ পাছত শীৰ্ষ দুটা দলে অহা ৯ ফেব্ৰুৱাৰীত প্ৰতিযোগিতাৰ ফাইনেলত মুখামুখি হ'ব। ভাৰত অহা ৫ ফেব্ৰুৱাৰীত বাংলাদেশ আৰু ৭ ফেব্ৰুৱাৰীত নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০০০

(সমাপ্ত)